PG (CBCS) EVEN SEMESTER EXAMINATION, 2023

ASSAMESE
4th Semester

COURSE NO. ASMCC – 403 (B)

(Dialectology and Dialects of Assamese Language)

Full Marks : 70
Pass Marks : 28

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer all the questions

Unit – I

১) উপভাষাৰ সংজ্ঞা দাঙি ধৰি উপভাষা সৃষ্টিৰ ঘাই কাৰণবোৰ লিখা। উপভাষা আৰু মান্যভাষাৰ মাজত থকা সাদৃশ্য আৰু পাৰ্থক্যৰ বিষয়ে আলোচনা কৰা। ২+৬+৬=১৪

অথবা

২) উপভাষাৰ বিজ্ঞানসন্মত অধ্যয়ন ক'ত কেতিয়া, কাৰ দ্বাৰা আৰম্ভ হৈছিল – এই সকলো দিশ সামৰি উপভাষা অধ্যয়নৰ ইতিহাসৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। লগতে অসমীয়া ভাষাত উপভাষাৰ অধ্যয়ন সম্পৰ্কে চমুকৈ লিখা। ১০+৪=১৪

(Turn Over)

Unit – II

৩) উপভাষা অধ্যয়নৰ বাবে গৱেষকজনৰ কি কি অৰ্হতা থকা উচিত লিখি উপভাষা অধ্যয়নৰ পদ্ধতি সম্পৰ্কে বিতংকৈ লিখা। ৪+১০=১৪

অথবা

৪) উপভাষাৰ সীমা নিৰ্দ্ধাৰক (Isogloss) বুলিলে কি বুজা? উপভাষাৰ সীমা নিৰ্দ্ধাৰকৰ বৰ্গীকৰণ সম্পৰ্কে আলোচনা কৰা। ৪+১০=১৪

Unit – III

৫) 'সমাজ-ভাষা-বিজ্ঞান' বুলিলে কি বুজা? একোটা উপভাষাৰ অধ্যয়নত ই কিদৰে সহায় কৰে, উদাহৰণসহ বুজাই লিখা। ৪+১০=১৪

অথবা

৬) দ্বিপাৰ্শ্বিকতা (Diaglossia) বুলিলে কি বুজা? দ্বিপাৰ্শ্বিকতাৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা। ১+১+১২=১৪

Unit – IV

৭) অসমীয়া ভাষাৰ প্ৰধান উপভাষা কেইটা আৰু কি কি? অসমীয়া ভাষাৰ উপভাষাৰ শ্ৰেণীবিভাজন সম্পৰ্কে পণ্ডিতসকলে আগবঢ়োৱা মন্তব্যসমূহ উল্লেখ কৰি অসমত উপভাষাৰ চৰ্চাৰ এক খতিয়ান দাঙি ধৰা। ২+৬+৬=১৪

অথবা

৮) কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপসমূহ উল্লেখ কৰি উপভাষাটোৰ সাধাৰণ বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰা। ৪+১০=১৪

Unit – V

৯) গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক ৰূপসমূহৰ চমু পৰিচয় দি গোৱালপৰীয়া উপভাষা আৰু কামৰূপী উপভাষাৰ ধ্বনিগত বৈশিষ্ট্যসমূহৰ এক তুলনামূলক আলোচনা আগবঢ়োৱা।৪+১০=১৪

অথবা

১০) মান্য অসমীয়াৰ লগত গোৱালপৰীয়া উপভাষাৰ ৰূপগত দিশৰ এক তুলনামূলক আলোচনা দাঙি ধৰা। ১৪

★★★